# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 18-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষত পাৰমানৱিক অস্ত্ৰ ব্যৱহাৰ নকৰিবলৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনক সৈমান কৰাইছিল বুলি পোলেণ্ডৰ উপ বিদেশ মন্ত্ৰীয়ে দাবী কৰিছে।

২। ভাৰতীয় ৰে'লৱেই বিগত দহ বছৰত ৫ লাখ লোকক কৰ্মসংস্থাপন প্ৰদান কৰিছে আৰু এক লাখৰো অধিক চাকৰিৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে।

৩। ৰাজ্যসভাত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে।

৪। ইছ্ৰাইলে গাজা অঞ্চলত চলোৱা বিমান আক্ৰমনত কালি নিশালৈকে মৃত্যু হোৱা লোকৰ সংখ্যা ৪০০ লৈ বৃদ্ধি পাইছে। ***আৰু***

৫। বিধি বলবৎকাৰী সঞ্চালকালয়ে বিদেশী মুদ্ৰা ব্যৱস্থাপনা আইন উলংঘা সন্দৰ্ভত বেংগালুৰুৰ ৮ টা চৌহদত তালাচী অভিযান চলাইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষত পাৰমানৱিক অস্ত্ৰ ব্যৱহাৰ নকৰিবলৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনক সৈমান কৰাইছিল বুলি পোলেণ্ডৰ উপ বিদেশ মন্ত্ৰী ৱ্লাডিস্লাৰ তেঅ'ফিল বাৰ্তোছেৱ্স্কীয়ে দাবী কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত প্ৰধানমন্ত্ৰী মোদীৰ প্ৰচেষ্টাৰ কথা স্বীকাৰ কৰি উপ বিদেশমন্ত্ৰীগৰাকীয়ে কালি গোলকীয় শান্তি প্ৰচেষ্টাত গুৰুত্বপূৰ্ণ মধ্যস্থতাকাৰী হিচাপে ভাৰতৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি পুটিনক পাৰমানৱিক অস্ত্ৰ ব্যৱহাৰ নকৰিবলৈ সৈমান কৰাইছিল।

০০০০০

ভাৰতীয় ৰে'লৱেই বিগত দহ বছৰত ৫ লাখ লোকক কৰ্মসংস্থাপন প্ৰদান কৰিছে আৰু এক লাখৰো অধিক চাকৰিৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে লোকসভাত ৰে'ল মন্ত্ৰালয়ৰ কাম-কাজ সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দি আজি এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতীয় ৰেলৱেৰ অৰ্থনৈতিক স্থিতি যথেষ্ট ভাল আৰু চৰকাৰে ইয়াক অধিক উন্নত কৰাৰ বাবে কাম কৰি আছে। তেওঁ কয়, যে ২০২০ চনৰে পৰা যাত্ৰী ভাড়া বৃদ্ধি কৰা হোৱা নাই আৰু এই ভাড়া অন্য দেশৰ তুলনাত কম। চৰকাৰে দেশৰ ৰেল দুৰ্ঘটনা কম কৰাত গুৰুত্ব আৰোপ কৰা বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে। তেওঁ কয়, যে ভালেমান কাৰিকৰী পৰিৱৰ্তন কৰা হৈছে আৰু ভাৰতীয় ৰে'লৱেই দীঘল ৰেলগাড়ী, বৈদ্যুতিক ইণ্টাৰলকিং আৰু কুৱলি নিৰাপত্তা আহিলাৰ লেখিয়া বৃহৎ পদক্ষেপ গ্ৰহণ কৰি ইয়াৰ সেৱা উন্নত কৰাৰ বাবে অহৰহ কাম কৰি আছে। ভাৰত ৰে'লগাড়ীৰ বৃহৎ ৰপ্তানিকাৰী বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে দেশে অষ্ট্ৰেলিয়ালৈ

মেট্ৰ' ৰে'লগাড়ী আৰু ব্ৰিটেইন, চৌদি আৰৱ আৰু ফ্ৰান্সলৈ ৰেলগাড়ীৰ দবা ৰপ্তানি কৰি আহিছে। তেওঁ লগতে ভাৰতে মেক্সিকো, স্পেইন, জাৰ্মানী আৰু ইটালীলৈ ৰেলগাড়ীৰ আহিলাপাতি ৰপ্তানি কৰা বুলি জানিবলৈ দিয়ে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত যৌথভাৱে যিমান ৰেলৰ ইঞ্জিন উৎপাদন হয় ভাৰতত তাতকৈ অধিক উৎপাদন হয় বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে। ভাৰতীয় ৰেলৰে অহৰহভাৱে আন্তঃগাথনিৰ উন্নয়ন সাধন কৰি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত ৩৪ হাজাৰ কিলোমিটাৰ ৰেলপথ নিৰ্মাণ কৰা হৈছে আৰু এই দৈৰ্ঘ্য জাৰ্মানীৰ গোটেই ৰেল নেটৱৰ্কৰ দৈৰ্ঘ্যতকৈ অধিক। তেওঁ কয়, যে ৫০ হাজাৰ কিলোমিটাৰ পুৰণি ৰেলপথৰ ঠাইত নতুন ৰেলপথ স্থাপন কৰা হৈছে আৰু ইয়াৰ ফলত নিৰাপত্তা বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে বিতৰ্কৰ উত্তৰ দিয়াৰ সময়ত কংগ্ৰেছ, ডি এম কে, তৃণমূলক কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ অন্য দলৰ সদস্যসকলে প্ৰয়াগৰাজৰ মহাকুম্ভ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া মন্তব্যক লৈ প্ৰতিবাদ সাব্যস্ত কৰে। পাছত সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জল শক্তি মন্ত্ৰালয়ৰ দাবী মঞ্জুৰী প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আৰম্ভ হয়। অৱশ্যে বিৰোধী পক্ষৰ সাংসদসকলে প্ৰতিবাদ অব্যাহত ৰখাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

০০০০০

বিশ্ব পৰ্যায়ত ভাৰতীয় সংস্কৃতিৰ প্ৰসাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জাৰ্মানীৰ গায়িকা কেইছ্মিক ভূয়সী প্ৰশংসা কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে কেইছ্মিৰ দৰে ব্যক্তিসকলে সাংস্কৃতিক বিনিময় ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। তেওঁ কয় যে কেইছ্মিয়ে আন কেইবাগৰাকীও লোকৰ সৈতে লগ লাগি ভাৰতীয় ঐতিহ্যৰ সমৃদ্ধি, গভীৰতা আৰু বিবিধতা প্ৰদৰ্শন কৰাত সহায় কৰি আহিছে।

০০০০০

ৰাজ্যসভাত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা চলি আছে। ডি এম কেৰ তিৰুচি শিৱাই আজি এই আলোচনাৰ পাতনি মেলি কয়, যে চৰকাৰে দূৰদৃষ্টি আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে জনস্বাস্থ্য খণ্ডত বিনিয়োগ কৰা উচিত। তেওঁ কয় যে ২০১৭-১৮ বিত্তীয় বৰ্ষত স্বাস্থ্য খণ্ডৰ বাবে মুঠ বাজেটত ২ দশমিক ৫ শতাংশ ধন আবণ্টন কৰা হৈছিল কিন্তু এইবেলি এই ধন ১ দশমিক ৯ শতাংশলৈ হ্ৰাস পাইছে। দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ জনসাধাৰণৰ স্বাস্থ্য আৱশ্যকতা পূৰণৰ উদ্দেশ্যে চৰকাৰে স্বাস্থ্য খণ্ডৰ বাবে অধিক ধন আবণ্টন কৰা উচিত বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে স্বাস্থ্য বীমাৰ ক্ষেত্ৰত প্ৰযোজ্য সামগ্ৰী আৰু সেৱা কৰ হ্ৰাস কৰিবলৈ দাবী জনায়। বিজেপিৰ ড০ ভগৱত কাৰাডে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত স্বাস্থ্য আন্তঃগাথনিৰ উন্নয়নৰ বাবে যথেষ্ট কাম কৰা হৈছে। তেওঁ কয়, যে ভাৰতীয়সকলৰ গড় আয়ু ২০১৪ চনৰ ৬৭ বছৰৰ পৰা ২০২৪ বৰ্ষত ৭০ বছৰ ৭ মাহলৈ বৃদ্ধি পাইছে। তেওঁ কয়, যে বিগত ১০ বছৰত নৱজাতকৰ মৃত্যুৰ হাৰ যথেষ্ট হ্ৰাস পাইছে। মোদী চৰকাৰৰ দিনত চিকিৎসা সেৱাৰ চকুতলগা ধৰণৰ উন্নয়ন হোৱা বুলি শ্ৰীকাৰাডে উল্লেখ কৰে। তেওঁ কয় যে ২০১৪ চনত দেশত মাত্ৰ ৩৮৩ খন চিকিৎসা মহাবিদ্যালয় আছিল আৰু সম্প্ৰতি এই মহাবিদ্যালয়ৰ সংখ্যা ৭৮০ খনলৈ বৃদ্ধি পাইছে। একেদৰে চিকিৎসা বিজ্ঞানৰ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আসনৰ সংখ্যাও বৃদ্ধি পোৱা বুলি সাংসদগৰাকীয়ে দাবী কৰে।

আলোচনাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ অখিলেশ প্ৰসাদ সিঙে কয়, যে ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ২০১৭ অনুসৰি বৰ্তমান চৰকাৰে ২০২৫ চনলৈ স্বাস্থ্য খণ্ডৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ ২ দশমিক ৫ শতাংশ ধন

ব্যয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে যদিও এই বছৰৰ বাজেটত স্বাস্থ্য শিতানৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ ১ দশমিক ২-৮ শতাংশ ধনহে আৱণ্টন দিয়া হৈছে। আম আদমী পাৰ্টীৰ সন্দিপ পাঠকে দেশবাসীলৈ গুণগত স্বাস্থ্য আগবঢ়োৱাৰ বাবে স্বাস্থ্য মন্ত্ৰালয়ৰ পৰিকল্পনা, লক্ষ্য ৰূপায়ণ আৰু আৱণ্টনক লৈ প্ৰশ্ন উত্থাপন কৰে।

ooooo

ইছৰাইলে গাজা অঞ্চলত চলোৱা বিমান আক্ৰমনত কালি নিশালৈকে মৃত্যু হোৱা লোকৰ সংখ্যা ৪০০ লৈ বৃদ্ধি পাইছে। পেলেষ্টাইনৰ স্বাস্থ্য বিষয়াসকলে প্ৰকাশ কৰা মতে, এই আক্ৰমনত ৫০০ ৰো অধিক লোক আহত হৈছে। ইজৰাইলৰ সামৰিক বাহিনীয়ে প্ৰকাশ কৰা মতে, সংঘৰ্ষ বিৰতিৰ চুক্তিৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে চলোৱা আলোচনা ব্যৰ্থ হোৱাৰ পাছতে তেওঁলোকে এই আক্ৰমন চলাইছে। হামাচ আৰু ইজৰাইলৰ মাজত ১৯ জানুৱাৰীৰ পাছত এয়া সৰ্ববৃহৎ আক্ৰমণৰূপে পৰিগণিত হৈছে। উল্লেখযোগ্য ১৯ জানুৱাৰীত দুয়োপক্ষৰ মাজত সংঘৰ্ষ বিৰতিৰ চুক্তি হৈছিল। প্ৰধানমন্ত্ৰী বেঞ্জামীন নেতান্যাহুৰ কাৰ্যালয়ে হামাচে পণবন্দীসকলক মুকলি কৰি নিদিয়া বুলি আৰু সংঘৰ্ষ বিৰতিৰ চুক্তিৰ ম্যাদ বৃদ্ধি কৰাৰ আলোচনা ব্যৰ্থ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। ইজৰাইলে হাচামৰ বিৰুদ্ধে অধিক সামৰিক শক্তি প্ৰয়োগ কৰিব বুলি সকিয়াই দিছে। পেলেষ্টাইনৰ গোট হামাচে এতিয়াও ৫৯ জন লোকক পণবন্দী কৰি ৰাখিছে। গোটটোৱে ২০২৩ চনৰ ৭ অক্টোবৰৰ আক্ৰমনৰ সময়ত ২৫০ জন লোকক পণবন্দী কৰিছিল। ইজৰাইলে স্থায়ী সংঘৰ্ষ বিৰতিৰ বাবে মধ্যস্থকাৰীসকলে চলোৱা প্ৰচেষ্টা ব্যৰ্থ কৰা বুলি অভিযোগ কৰিছে। মধ্যস্থতাকাৰী দলৰ সদস্য ইজিপ্তে সকলো পক্ষকে সংযম বৰ্তাই ৰাখিবলৈ আৰু স্থায়ী শান্তি চুক্তিৰ বাবে কাম অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে।

ooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ে বিদেশী মুদ্ৰা ব্যৱস্থাপনা আইন ফেমাৰ অধীনত তদন্ত চলোৱাৰ বাবে বেংগালুৰুৰ ৮ টা চৌহদত তালাচী অভিযান চলাইছে। বেচৰকাৰী সংগঠন, চৰচ অৰ্থনৈতিক পুঁজি ই দি এফ আৰু অপেন চোছাইটি ফাউণ্ডেছন-অ' এছ এফসমূহে বিদেশী মুদ্ৰা ব্যৱস্থাপনা আইন উলংঘা কৰা সন্দৰ্ভত তদন্ত কৰাৰ উদ্দেশ্যে তালাচী চলোৱা হৈছে। বিধি বলবৎকাৰী সংস্থাই প্ৰকাশ কৰা অনুসৰি গৃহমন্ত্ৰালয়ে ২০১৬ চনত চৰচ অ' এছ এফক তদন্তৰ আওতালৈ আনিছিল। ভাৰতৰ বেচৰকাৰী সংগঠনসমূহক ধন দিয়াৰ ক্ষেত্ৰত চৰচ অ' এছ এফক বাধা দিয়া হৈছিল। সঞ্চালকালয়ে প্ৰকাশ কৰা অনুসৰি এই নিৰ্দেশ অমান্য কৰি অ' এছ এফে ভাৰতত সহায়কাৰী কোম্পানী স্থাপন কৰি প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ জৰিয়তে ধন সংগ্ৰহ কৰিছে।

ooooo

ইণ্ডোনেছিয়াৰ নৰ্থ সুমাত্ৰা প্ৰদেশত আজি পুৱা অহা ৫ দশমিক ৫ প্ৰাৱল্যৰ ভূমিকম্পটোৰ লগতে আন দুটা ভূমিকম্পই দেশখন জোকাৰি যায়। ভূমিকম্পৰ অভিকেন্দ্ৰ নৰ্থ তাপানুলি ৰিজেন্সিৰ পৰা ১৭ কিলোমিটাৰ দক্ষিণ-পূৱত ১০ কিলোমিটাৰ গভীৰতাত আছিল বুলি দেশখনৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ লগতে অন্যান্য কেইবাটাও সংস্থাই প্ৰকাশ কৰিছে। এই ভূমিকম্পত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন এজন লোক আহত হৈছে। ভালেমান বাসগৃহ আৰু পথো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে বুলি জানিব পৰা গৈছে। ইয়াৰ পূৰ্বে কালি নিশা মালুকু প্ৰদেশত ৫ দশমিক ৭ প্ৰাৱল্যৰ এটা, ইষ্ট নুচা তেংগাৰা প্ৰদেশত ৫ দশমিক ২ প্ৰাবল্যৰ আন এটা শক্তিশালী ভূমিকম্প আহে। এই ভূমিকম্পকেইটাৰ বাবে অৱশ্যে চুনামি অহাৰ কোনো আশংকা কৰা হোৱা নাই।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইটালীৰ টিউৰিনত অনুষ্ঠিত বিশেষ অলিম্পিক বিশ্ব শীতকালীন ক্ৰীড়া মহোৎসৱত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকলক সাক্ষাৎ কৰে আৰু তেওঁলোকৰ প্ৰদৰ্শনৰ ভূয়সী প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কয়, যে এই বিশেষ অলিম্পিকত ৩৩ টাকৈ পদক জয় কৰি দেশলৈ গৌৰৱ কঢ়িয়াই অনা ভাৰতীয় দলক লৈ তেওঁ গৌৰৱান্বিত। তেওঁ লগতে ভাৰতীয় দলৰ সদস্যসকলক তেওঁলোকৰ সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

ooooo

সমাপ্ত